# Official Spokesperson's response to media queries on the Press Conference by Pakistan’s MoFA and the Establishment

November 15, 2020

---

## কাৰ্যকৰি মুখপাত্ৰৰ প্ৰতিক্ৰিয়া পাকিস্তানৰ বিদেশ বিষয়ক মন্ত্ৰী আৰু প্ৰতিষ্ঠানৰ সংবাদ মেলৰ বিষয়ে সংবাদ মাধ্যমৰ প্ৰশ্নৰ ওপৰত

নৱেম্বৰ 15, 2020

**পাকিস্তানৰ বিদেশ বিষয়ক মন্ত্ৰী আৰু প্ৰতিষ্ঠানৰ সংবাদ মেলৰ বিষয়ে কৰা সংবাদ মাধ্যমৰ প্ৰশ্নৰ প্ৰতিক্ৰিয়া হিচাপে, কাৰ্যকৰি মুখপাত্ৰ, শ্ৰী অনুৰাগ শ্ৰীবাস্তৱে কয়:**

আমি পাকিস্তানি প্ৰতিষ্ঠানে কৰা সংবাদ মেলৰ বিবৃতি দেখিছোঁ। এয়া আন এক ব্যৰ্থ ভাৰত-বিৰোধি প্ৰচাৰ কাৰ্য।

ভাৰতৰ বিৰোদ্ধে এই তথাকথিত “প্ৰমাণ”ৰ কোনো বৈধতা নাই; এয়া ভুৱা আৰু কাল্পনিক। এই হতাশ প্ৰচেষ্টা কোনেও বিশ্বাস নকৰে কাৰণ আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায় পাকিস্তানৰ কাৰ্যকলাপ আৰু সন্ত্ৰাসবাদ সমৰ্থনৰ প্ৰমাণৰ প্ৰতি অৱগত যি নিজৰ নেতৃত্বই স্বীকাৰ কৰিছিল।

বিশ্ব সন্ত্ৰাসবাদৰ চেহেৰা, ওচামা বিন লাডেন, পাকিস্তানত পোৱা গৈছিল; পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে তেওঁক সংসদৰ মজিয়াৰ পৰা “স্বহীদ” হিচাপে
মহিমান্বিত কৰিছিল; তেওঁ পাকিস্তানত 40,000 সন্ত্ৰাসবাদী উপস্থিতি স্বীকাৰ কৰিছিল; তেওঁলোকৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰীয়ে গৌৰৱেৰে দাবী কৰিছিল পাকিস্তান জড়িত থকা আৰু সফল হোৱা, তেওঁলোকৰ প্ৰধান মন্ত্ৰীৰ নেতৃত্বত, পুলৱামা সন্ত্ৰাসবাদী আক্ৰমণত য’ত 40জন ভাৰতীয় সেনা স্বহীদ হৈছিল।

শান্তি আৰু প্ৰশান্তি ৰক্ষাৰ বাবে বাৰম্বাৰ 2003 যুদ্ধবিৰতিৰ বুজাবুজিৰ প্ৰতি সংযম আৰু আনুগত্যৰ আহ্বান স্বত্তেও, পাকিস্তানি সেনাই অনুপ্ৰবেশকাৰীক সমৰ্থনকাৰী কভাৰ ফায়াৰ প্ৰদান কৰি আহিছে। এই অবিৰত সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশ আৰু অস্ত্ৰৰ প্ৰবৰ্তন সন্ত্ৰাসবাদী কাৰ্য সম্পন্ন কৰাৰ বাবে অৱগত হৈয়েই আছে। এনে গতিবিধি এল অ’ চি-ত থকা পাকিস্তানি সেনাৰ সমৰ্থনৰ অবিহনে সম্ভৱ নহয়।

এই সংবাদ মেল এক ইচ্ছাকৃত প্ৰচেষ্টা আছিল পাকিস্তানি প্ৰতিষ্ঠানৰ নিজৰ অভ্যন্তৰিণ ৰাজনৈতিক আৰু অৰ্থনৈতিক বিফলতাৰ পৰা ধ্যান আঁতৰাবলৈ। ইয়াৰ দ্বাৰা সীমান্তৰ সন্ত্ৰাসবাদৰ যুক্তি প্ৰকাশিত হয়, য’ত যুদ্ধবিৰতি উলংঘন আৰু এল অ’ চি আৰু আউ বি-ত অনুপ্ৰৱেশৰ কথাও জড়িত।

আমি পাকিস্তানক দাবী জনাইছো সীমান্তবৰ্তী সন্ত্ৰাসবাদৰ প্ৰতি নিজৰ সমৰ্থন বন্ধ কৰিবলৈ। পাকিস্তানি নেতাসকলে কেতিয়াও এই কথা লুকুৱা নাই যে পাকিস্তান এক ফেক্টৰী হৈ পৰিছে সন্ত্ৰাসবাদী সৃষ্টি কৰাৰ। আন দেশৰ ভাষ্যৰ পৰা গম পাই যে ভাৰতেই একমাত্ৰ দেশ নহয় যাক লক্ষ্য কৰা হৈছে। পৃথিৱীৰ দূৰ-দূৰণিৰ ঠাইৰ সন্ত্ৰাসবাদৰ জৰী পাকিস্তানলৈ যায়। ভুৱা নথিপত্ৰ আৰু ভুল তথ্য প্ৰদান কৰি পাকিস্তানে হাৰি যাব নোৱাৰে। আমাৰ বিশ্বাস যে আমি পাকিস্তানক দায়ী প্ৰমাণিত কৰিম।

**নতুন দিল্লী**
**15 নৱেম্বৰ 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.